# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

**Date :** 13-04-2024
**Time :** 18-45 Hrs

# Assamese Evening Bulletin

::::::::::::::::::::::::::::::::::::

১। ৰাজ্যজুৰি পৰম্পৰাগত ৰীতি-নীতিৰে গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰি গৰু বিহু পালন। অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উখল-মাখল পৰিবেশ।

২। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ ৩ দিন বাকী থকা অৱস্থাত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ শীৰ্ষ পৰ্যায়ত।

৩। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নাগালেণ্ডত নিৰ্বাচনী সমাবেশত অংশগ্ৰহণ।

৪। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলাত ভোটদাতাক সজাগ কৰাৰ বাবে প্ৰশাসনৰ ব্যাপক কাৰ্যসূচী। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ম'হালিত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি।

০০০০

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ আজি প্ৰথম দিন। এই উপলক্ষে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই যোৰহাটৰ তিতাবৰত নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকাৰ মাজতে ৰাজ্যবাসীলৈ ৰঙালী বিহুৰ ওলগ জনায়। উল্লেখযোগ্য যে অসমৰ জাতীয় উৎসৱ ব'হাগ বিহুৰ আজি প্ৰথম দিনটো গৰু বিহু হিচাপে পালন কৰা হয়। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত উখল-মাখল পৰিৱেশে বিৰাজ কৰে। ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জিলাখনৰ বৰগুড়িত আয়োজন কৰা গৰু বিহুৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

ইফালে বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰে। পুৱা ১০ বজাত বিশিষ্ট সংগীতজ্ঞ প্ৰশান্ত বৰদলৈয়ে বিহুৰ পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলে অংশগ্ৰহণ

কৰে। ইয়াৰ লগতে অসমৰ সমাজ জীৱনলৈ প্ৰভূত বৰঙণি আগবঢ়োৱা কেইবাজনো বিশিষ্ট ব্যক্তিক এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়েও আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে। উদ্যোক্তাসকলে জনোৱা অনুসৰি ৰঙালী বিহু অনুষ্ঠানত আজি সাংস্কৃতিক শোভাযাত্ৰা, বিহু পতাকা উত্তোলন, দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো আজি উলহ-মালহেৰে গৰু বিহু পালন কৰা হয়। জিলাখনৰ আগিয়া, শিমলিতোলা, ৰংজুলি, ধূপধৰা, কৃষ্ণাই আদি অঞ্চলত গৰু বিহু উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনা দেখা যায়। জিলাখনৰ বিভিন্ন ঠাইত ৰাইজে সমূহীয়াভাৱে গৰু গা ধোৱাই গৰু বিহু পালন কৰে। কামৰূপ জিলাৰ বিভিন্ন স্থানতো পুৱাই মাহ-হালধিৰে গৰুক নোৱাই-ধুৱাই গৰু বিহু উদযাপন কৰা হয়। জিলাখনৰ জয়ন্তীপুৰ, কেকেনীকুছি আদি ঠাইৰ লগতে কলহী, জলজলি আদি নৈৰ পাৰত সমূহীয়াভাৱে গৰু গা ধুওৱা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। চিৰাং জিলাত বিজনী ৰঙালী বিহু উদযাপন সমিতিৰ উদ্যোগত ছোৱালী হাইস্কুল খেলপথাৰত চাৰিদিনীয়াকৈ বৰ্ণিল কাৰ্যসূচীৰে ৰঙালী বিহু আয়োজন কৰা হৈছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ক্ষেত্ৰ বিজনীত ৰঙালী বিহুৰ লগতে বড়ো সমাজৰ ৰংজালী বৈশাগু আৰু কোচ ৰাজবংশীসকলৰ বিষুৱা উৎসৱৰ পালন কৰা হৈছে।

আনফালে ৰঙালী বিহুত ১০১ বিধ শাক খোৱাৰ পৰম্পৰা ৰক্ষা কৰিবলৈ গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত স্থানীয় বজাৰসমূহ থলুৱা শাক-পাতেৰে ভৰি পৰা দেখা গৈছে। উল্লেখযোগ্য যে বড়োসকলৰ মাজতো বিশেষভাৱে লক্ষণীয় এই পৰম্পৰাৰ অংশ হিচাপে কোকৰাঝাৰৰ বজাৰসমূহ বিভিন্ন ঔষধিগুণযুক্ত শাক কিনিবলৈ ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হয়। ইফালে কোকৰাঝাৰ জিলাৰ বাওখুংগ্ৰী পাহাৰত আজি সংক্ৰান্তি উপলক্ষে বৈশাগু উৎসৱৰ শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানত পৰম্পৰা অনুযায়ী বাওখুংগ্ৰী পাহাৰ আৰোহণ কাৰ্যসূচীও সম্পন্ন কৰা হয়। বাক্সা জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে তামুলপুৰতো উলহ-মালহেৰে গৰু বিহু পালন কৰা হয়।

শিৱসাগৰ জিলাত গৰু বিহু উপলক্ষে আজি সদৌ অসম ভিত্তিত কণীযুঁজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। পৰম্পৰাগত খেল-ধেমালিৰ ব্যৱহাৰিক সংৰক্ষণৰ উদ্দেশ্যেৰে মুক্তিনাথ চাৰিআলিত আয়োজন কৰা প্ৰতিযোগিতাখনে এইবাৰ ৩০ বছৰত ভৰি দিছে। চৰাইদেও জিলাতো গোধনৰ শ্ৰীবৃদ্ধি কামনাৰে ৰাইজে কাহিলিপুৱাতে মাহ-হালধিৰে নোৱাই-ধুৱাই গৰু বিহু পালন কৰে। ইয়াৰ পাছত জ্যেষ্ঠ আৰু কনিষ্ঠসকল একত্ৰিত হৈ কণীযুঁজত অংশগ্ৰহণ কৰাৰ লগতে আমৰলিৰ পৰুৱাৰ টোপ আৰু ১০১ বিধ শাক বিচৰাকে ধৰি বিহুৰ পৰম্পৰা উলহ-মালহেৰে পালন কৰে।

শোণিতপুৰ জিলাতো তেজপুৰৰ কাষৰ ডিপোতা নৈৰ ঘাটত ১৯১১ চনৰ পৰা আয়োজন কৰা সমূহীয়া বিহু অনুষ্ঠানত তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই অংশগ্ৰহণ কৰে। বড়ো জনগোষ্ঠীৰ ৰঙালী উৎসৱ বৈশাগুও শোণিতপুৰ জিলা বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত বেলশিৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। একেদৰে ঢেকীয়াজুলি সমষ্টিৰ শিঙৰীত অসম নেপালী সাহিত্য সভাই বৈশাগ আৰু ৰঙালী বিহুৰ লগত সংগতি ৰাখি সাহিত্য ভেলা শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰে।

মাজুলীতো স্থানীয় ৰাইজে পৰম্পৰা ৰক্ষা কৰি গৰু নোৱাই ধুৱাই, ছাটৰ ধেমালি কৰি গৰু বিহু পালন কৰে। তিনিচুকীয়া জিলাৰো বিভিন্ন স্থানত পৰম্পৰাগতভাৱে গৰুক গা ধুওৱাৰ লগতে কণী যুঁজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাইলৈ তিনিচুকীয়া চলিহা নগৰ খেলপথাৰত জিলা ছাত্ৰ সন্থাই মুকলি বিহুৰ আয়োজন কৰিছে।

মুকলি বিহুত মৰাণ, মটক, আহোম, চুতিয়া, নেপালি, সোণোৱাল-কছাৰী, চাহ জনগোষ্ঠীকে কেতবোৰ ধৰি বিভিন্ন জনগোষ্ঠীৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শন কৰিব।

আনহাতে কাইলৈ পৰম্পৰা অনুসৰি অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটো মানুহৰ বিহু হিচাপে পালন কৰা হ'ব। মানুহৰ বিহুৰ দিনা হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্যবাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত মাথো ৩টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান শীৰ্ষ পৰ্যায়ত উপনীত হৈছে। বিভিন্ন ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকসকলে ভোটদাতাক আকৰ্ষিত কৰাৰ উদ্দেশ্যে কেইবাটাও নিৰ্বাচনী সমাবেশত অংশগ্ৰহণ কৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাত লখিমপুৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ অন্তৰ্গত কাকপথাৰ ৰাজহুৱা খেলপথাৰত নিৰ্বাচনী সভাত অংশ লয়। ড° শৰ্মাই বিহপুৰীয়াত দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ বিজয় সংকল্প সমাবেশত অংশ লয়। অসমক সৰ্বাত্মক বিকাশৰ দিশত আগবঢ়াই লৈ গৈ দেশৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰোৱাৰ বাবে জনসাধাৰণে পুনৰবাৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থীক জয়ী কৰিব বুলি মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত আশা প্ৰকাশ কৰে।

ডিব্ৰুগড় সমষ্টিত বিজেপিৰ মিত্ৰজোটৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়াত প্ৰচাৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। সমষ্টিটোৰ বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী লুৰিণজ্যোতি গগৈও আজি ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। বজালী জিলাৰ হলংবাৰী বজাৰত আজি মন্ত্ৰী ৰণজিত কুমাৰ দাসে বৰপেটা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ইপিনে, অহা ১৭ এপ্ৰিলত নলবাৰীত হ'বলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচাৰ সভাৰ প্ৰস্তুতিৰ অংশ হিচাপে আজি বৰপেটাত বিজেপি আৰু অসম গণ পৰিষদৰ এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। বৰপেটা আৰু দৰং-ওদালগুৰি সমষ্টি সামৰি প্ৰধানমন্ত্ৰীৰ এই সভাৰ আয়োজন কৰা হৈছে। সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তথা কংগ্ৰেছ দলৰ নেতা গৌৰৱ গগৈয়ে আজি শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। ৰাজ্যখনৰ বিভিন্ন ঠাইত আজি তিনিটা পৰ্যায়ত হবলগীয়া নিৰ্বাচনৰ বাবে এ আই ইউ ডি এফ, তৃণমূল কংগ্ৰেছ, আম আদমী পাৰ্টীকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহেও প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে সমগ্ৰ দেশজুৰি ৰাজনৈতিক দলসমূহে ব্যাপক ৰূপত প্ৰচাৰ অভিযান চলাইছে। বিভিন্ন দলৰ তাৰকা প্ৰচাৰকৰ উপস্থিতিত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ আকৰ্ষণীয় হৈ উঠিছে। প্ৰথম পৰ্যায়ত ১৭ খন ৰাজ্য আৰু ৪ টা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২ খন লোকসভা আসনৰ বাবে নিৰ্বাচন হ'ব। তদুপৰি চিকিমৰ ৩২ খন আৰু অৰুণাচল প্ৰদেশৰ ৬০ খন বিধানসভা আসনৰ বাবে এই পৰ্যায়ত ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি নাগালেণ্ডত এটা নিৰ্বাচনী সমাবেশত অংশ লয়। নিজৰ ভাষণত তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰক দক্ষিণ আৰু পূৱ এছিয়াৰ প্ৰৱেশ দ্বাৰ হিচাপে গঢ়ি তুলিবলৈ পৰিকল্পনা লৈছে। ৰাজ্যখনত পিপলছ ডেম'ক্ৰেটিক এলায়েন্সৰ প্ৰাৰ্থী ড° চুম্বেন মুৰীৰ সমৰ্থনত প্ৰচাৰ চলাই শ্ৰীনাড্ডাই কয় যে বিজেপি

চৰকাৰৰ শাসন কালত উত্তৰ পূৰ্বাঞ্চল উগ্ৰপন্থী সমস্যাৰ পৰা প্ৰায় মুক্ত হৈছে আৰু এঘাৰখন শান্তি চুক্তি স্বাক্ষৰ কৰা হৈছে।

ইফালে, কন্যাকুমাৰীত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি কয় যে, বিজেপিয়ে এখন উন্নত ভাৰতৰ লক্ষ্যৰে সমাজৰ সকলো স্তৰৰ লোকৰ কল্যাণৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। জ্যেষ্ঠ বিজেপি নেত্ৰী নিৰ্মলা সীতাৰমণে আজি থানজাভুৰত নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত তেওঁ বিজেপি নেতৃত্বাধীন চৰকাৰে বিগত ১০ টা বছৰত ৰূপায়ণ কৰা কল্যাণকামী কাৰ্যসূচীসমূহৰ বিষয়ে উল্লেখ কৰে। ইপিনে, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে আজি মোৰাদাবাদত আয়োজিত অনুষ্ঠানত অংশ লৈ কয় যে, বিশ্বমানৰ আন্তঃগাথনিৰে ভাৰত সম্প্ৰতি গোলকীয় নেতৃত্ব প্ৰদানৰ দিশে অগ্ৰসৰ হৈছে। বহুজন সমাজ পাৰ্টীৰ মুৰববী মায়াৱতীয়ে আজি হৰিদ্বাৰত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। উত্তৰাখণ্ডৰ ৰাম নগৰত নিৰ্বাচনী সভাত অংশ লৈ কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে বিজেপি চৰকাৰক সমালোচনা কৰি কয় যে, চৰকাৰখনৰ কাৰ্যকালত পেট্ৰল, ডিজেল, গেছ চিলিণ্ডাৰকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ অভাৱনীয় মূল্যবৃদ্ধি হৈছে। দলৰ নেতা ৰাহুল গান্ধীয়েও আজি মহাৰাষ্ট্ৰৰ ভাণ্ডাৰা দন্দিয়া লোকসভা সমষ্টিত নিৰ্বাচনী সমাবেশত ভাষণ দিয়ে।

দুদিনীয়া নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীৰে অসমলৈ অহা পাঞ্জাবৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ নেতা ভগৱন্ত মানে আজি শোণিতপুৰ সমষ্টিৰ দলীয় প্ৰাৰ্থী ঋষিৰাজ কৌন্দিন্যৰ হৈ বিশ্বনাথত ৰোড শ্ব'ত অংশ লয়। নিজৰ ভাষণত নেতাগৰাকীয়ে কয যে, অসমৰ ৰাইজে এইবাৰ বিপ্লৱী আৰু সত্যনিষ্ঠ দলক নিৰ্বাচন কৰিব।

ইফালে, অহা সপ্তাহত ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহিব। কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে যোৰহাট আৰু ডিব্ৰুগড়ৰ কংগ্ৰেছ তথা সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। একেদৰে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে ১৬ এপ্ৰিলত ৰাজ্যখনত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটাৰসকলৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ বিভিন্ন জিলাৰ প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষসমূহৰ উদ্যোগত সজাগতামূলক সভাৰ আয়োজন কৰা হয়। গোলাঘাট জিলাত হাবিয়াল প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰা এখন সভাত নিৰ্বাচন আয়োগৰ ৰাজ্যিক আইকন পেৰা-চাইক্লিষ্ট ৰাকেশ বনিকে অংশগ্ৰহণ কৰে। সভাত অংশগ্ৰহণ কৰি গোলাঘাট জিলাৰ অতিৰিক্ত আয়ুক্তই ভোটদানৰ গুৰুত্বৰ বিষয়ে সমবেতসকলক অৱগত কৰে। অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে আয়োজন কৰা সভাখনত শ্ৰীবনিকে নতুন ভোটাৰসকলক ভোটদানৰ কাৰণে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। পেৰা-চাইক্লিষ্টগৰাকীয়ে ভাৰতীয় নিৰ্বাচন আয়োগৰ একাধিক মোবাইল এপ আৰু ৱেবচাইটৰ বিষয়েও উল্লেখ কৰে। ইয়াৰ লগতে এক নম্বৰ বেতিয়নী প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণতো এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়।

আনহাতে লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনেও আজি আৰক্ষীসকলৰ কাৰণে দিনজোৰা কাৰ্যসূচীৰে এটা প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰে। গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা ভৱনত আয়োজন কৰা প্ৰশিক্ষণ কাৰ্যসূচীত আৰক্ষীৰ মাণ্ডলিক আৰু খণ্ড বিষয়াসহ ৩০০ গৰাকী আৰক্ষীক প্ৰশিক্ষণ প্ৰদান কৰা হয়।

ইফালে যোৰহাট লোকসভা সমষ্টিৰ দ্বিতীয় নিৰ্বাচনী ব্যয় নিৰীক্ষণ বৈঠকখন আজি যোৰহাট জিলাৰ আৰৰ্ত ভৱনৰ সভাকক্ষত অনুষ্ঠিত হয়। ব্যয় পৰ্যবেক্ষক অশোক কুমাৰ সুঠাৰে যোৰহাট লোকসভা সমষ্টিৰ বাবে প্ৰাৰ্থিত্ব আগবঢ়োৱা প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয় পৰীক্ষণ কৰে। ইয়াৰ লগতে আটাইকেইটা ৰাজনৈতিক দলৰো ব্যয়ৰ হিচাব পৰীক্ষণ কৰা হয়। অহা ১৭ এপ্ৰিলত পুনৰ এই পৰীক্ষণ কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

আনহাতে বৰপেটা লোকসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে নিযুক্ত ব্যয় পৰ্যবেক্ষক কপিল মণ্ডল আজি বিয়লি বঙাইগাঁও জিলাত উপস্থিত হয়। বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত বঙাইগাঁও আৰু অভয়াপুৰী বিধানসভা সমষ্টিৰ নিৰ্বাচনী প্ৰস্তুতিৰ বুজ ল'বলৈ ব্যয় পৰ্যবেক্ষকগৰাকীয়ে তিনিদিনীয়া ভ্ৰমণসূচীৰে জিলাখনত উপস্থিত হৈছে। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আৰক্ষী আৰু প্ৰশাসনিক বিষয়াসকলৰ সৈতে অনুষ্ঠিত এখন সভাত অংশগ্ৰহণ কৰি পৰ্যবেক্ষকগৰাকীয়ে সমষ্টি দুটাত নিৰ্বাচনী কাৰ্যকলাপৰ বুজ লয়। কৰিমগঞ্জ জিলাত জিলা আয়ুক্তই লোকসভা নিৰ্বাচন উপলক্ষে ৰাজ্য চৰকাৰৰ অধীনস্থ সকলো কাৰ্যালয় আৰু শিক্ষানুষ্ঠানৰ মুৰববীলৈ পত্ৰ প্ৰেৰণ কৰি নিৰ্বাচনী কৰ্তব্য পালনৰ বাবে নিযুক্তিপত্ৰ জাৰি কৰাৰ বিষয়ে অৱগত কৰিছে। এই উপলক্ষে চৰকাৰী বন্ধৰ দিন হোৱা সত্বেও ১৪ আৰু ১৫ এপ্ৰিলত কাৰ্যালয় আৰু শিক্ষানুষ্ঠানসমূহত সীমিত সংখ্যক কৰ্মচাৰী নিশ্চিত কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

ooooo

সমাগত লোকসভা নিৰ্বাচনত কেইবাখনো ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ পুত্ৰই প্ৰতিদ্বন্দিতা আগবঢ়াব। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিজেপি নেতৃত্বাধীন এন ডি এৰ হৈ ডিব্ৰুগড় সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইপিনে, ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈয়ে যোৰহাট সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ হৈ প্ৰতিদ্বন্দিতা কৰিছে।

ইফালে, বিজেপিয়ে হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ লাল খাট্টাৰক কৰ্ণেল সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিয়াৰ বিপৰীতে উত্তৰাখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ত্ৰিবেন্দ্ৰ সিং ৰাৱাটক হৰিদ্বাৰ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিছে। ইপিনে চত্তিশগড়ত প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলক ৰাজনন্দ গাওঁ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিয়া হৈছে।

কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বাসৱ ৰাজ বুম্মাইক হাভেৰী, ৰাজ্যখনৰ আন এগৰাকী প্ৰাক্তন মুখ্যমন্ত্ৰী জগদীশ ছাট্টাৰক বেলগ্ৰাম সমষ্টিৰ পৰা বিজেপিয়ে প্ৰাৰ্থিত্ব দিছে। জনতা দল চেকুলাৰে কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী এইচ দি দেৱেগৌড়াৰ পুত্ৰ এইচ দি কুমাৰাস্বামীক মন্দিয়া লোকসভা আসনখনৰ পৰা প্ৰাৰ্থিত্ব দিছে।

মধ্য প্ৰদেশৰ ছিন্দৱাৰা সমষ্টিৰ পৰা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কমল নাথৰ পুত্ৰ নকুল নাথে কংগ্ৰেছ দলৰ হৈ প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইপিনে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা হিন্দুস্তানী আৱাম মৰ্চা চেকুলাৰৰ নেতা জীতন ৰাম মাঝিয়ে এন ডিৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ত্ৰিপুৰাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মানিক সৰকাৰে এইবাৰ প্ৰতিদ্বন্দিতা আগবঢ়াইছে।

তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অ' পনিৰ ছেলভামে এইবাৰ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে ৰামানাথাপুৰম সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইপিনে, অন্ধ্ৰপ্ৰদেশ বিধানসভা নিৰ্বাচনতো কেইবাগৰাকী প্ৰাক্তন মুখ্যমন্ত্ৰীৰ পুত্ৰই প্ৰতিদ্বন্দিতা আগবঢ়াব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ম'হালিত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, দেলহি কেপিটেলছে যোৱা নিশা লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ